# **REGIONAL NEWS UNIT**
# AKASHVANI, GUWAHATI
0000000000

**Date :** 01-09-2025
**Time :** 1800 HRS

## ***Assamese Evening Bulletin***

**- - - - - - - - - - - - - - -**

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ অধীনত শ্ৰীভূমি জিলাৰ পাথাৰকান্দি বিধানসভা সমষ্টিৰ আত্মসহায়ক গোটৰ ১৫ হাজাৰ ৬৭১ গৰাকী সদস্যক আনুষ্ঠানিকভাৱে চেক বিতৰণ কৰে। জিলাখনৰ মুণ্ডামালা খেলপথাৰত আয়োজিত  এটা অনুষ্ঠানত অংশ লৈ দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে চৰকাৰী অনুদান হি চাপে লাভ কৰা ধন অপচয় কাৰাৰ পৰিবৰ্তে অৰ্থনৈতিক উন্নয়নত বিনিয়োগ কৰিবলৈ পৰামৰ্শ দিয়ে। তেওঁ কয়, যে এই আঁচনিৰ অধীনত এতিয়া ১০ হাজাৰ টকাকৈ দিয়া হৈছে যদিও ক্ৰমান্বয়ে এই ধন ৫০ হাজাৰলৈ বৃদ্ধি কৰা হ'ব। ১৭ ছেপ্তেম্বৰত সকলো নতুন আৰু পুৰণি অৰুণোদয় হিতাধিকাৰীয়ে ধন লাভ কৰিব বুলি তেওঁ উল্লেখ কৰে। অহা এক নৱেম্বৰৰ পৰা ৰেচন কাৰ্ডত চাউলৰ লগতে চেনী, ডালি আৰু নিমখ কম মূল্যত লাভ কৰিব পৰা যাব বুলি মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে। আজিৰ অনুষ্ঠানত মন্ত্ৰী কৃষ্ণেন্দু পাল, কৌশিক ৰায়, সাংসদ কৃপানাথ মল্লাৰ লগতে কেইবাগৰাকীও নেতা উপস্থিত থাকে।

০০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ডিব্ৰুগড়ত তিনিটা প্ৰকল্প উদ্বোধন কৰে। শ্ৰী সোণোৱালে ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ ড০ যোগীৰাজ বসু বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যা ভৱন উদ্বোধন কৰে। তেওঁ লগতে কেন্দ্ৰীয় চৰকাৰৰ সাংসদ পুঁজিৰে নিৰ্মাণ কৰা এটা শৰীৰ চৰ্চা কেন্দ্ৰ আৰু খোৱাপানী প্ৰকল্প উদ্বোধন কৰে। এই উপলক্ষে দিয়া ভাষণত শ্ৰী সোণোৱালে কয়, যে এই প্ৰকল্পসমূহে শিক্ষানুষ্ঠানখনৰ বিদ্যায়তনিক দিশৰ উৎকৰ্ষ সাধনৰ লগতে ছাত্ৰ-ছাত্ৰীসকলক সুস্থ ভাৰত গঢ়াৰ দিশত সক্ৰিয় ভূমিকা পালন কৰিবলৈ অনুপ্ৰাণিত কৰিব। এই কাৰ্যসূচীত মন্ত্ৰী প্ৰশান্ত ফুকন, অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ন বৰুৱাৰ লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

বিশ্বনাথ জিলাৰ বেদেতি চাহ বাগিছা ক্ৰীড়া সন্থাৰ উদ্যোগত বীৰ বীৰছা মুণ্ডা সোঁৱৰণী চতুৰ্থ বাৰ্ষিক সদৌ অসম ভিত্তিত ফুটবল প্ৰতিযোগিতাখনৰ প্ৰথমখন খেলত অৰুণাচল প্ৰদেশ এফ চি দলে নগাঁও স্পোৰ্টছ ক্লাবক ১-০ গ'লত পৰাস্ত কৰে। ৭ ছেপ্তেম্বৰলৈ চলিবলগীয়া প্ৰতিযোগিতাখনত নাইন এ পি বি এন, পি এল এল একাডেমী মণিপুৰ, আছাম কামাণ্ডো বেটেলিয়ন, ডিমা হাছাও মাহুৰ টাউন ক্লাব আৰু শালবাগান এফ চিৰ দৰে আগশাৰীৰ ফুটবল দলে অংশগ্ৰহণ কৰিছে।

০০০০০

গোৰ্খা মহিলাসকলৰ পৱিত্ৰ ধৰ্মীয় উৎসৱ তীজ আজি ধেমাজি জিলাৰ ডিমৌত গোৰ্খা সংগঠনৰ উদ্যোগত দিনজোৰা কাৰ্যসূচীৰে উদযাপন কৰা হয়। গোৰ্খা নাৰী পৰিষদে আঁত ধৰা বৰ্ণাধ্য কাৰ্যসূচীত গোৰ্খা জনগোষ্ঠীৰ গীত, নৃত্য পৰিবেশন কৰাৰ লগতে জনগোষ্ঠীটোৰ জীৱনশৈলীৰ নিদৰ্শন দাঙি ধৰা হয়। ডিমৌ গোৰ্খা ভৱনত আয়োজিত অনুষ্ঠানটোত অঞ্চলটোৰ লগতে ৰাজ্যৰ বিভিন্ন ঠাইৰ গোৰ্খা সমাজে অংশগ্ৰহণ কৰে।

০০০০০

ৰাজ্যৰ ১১ খন পলিটেকনিকত কৰ্মৰত তিনি শতাধিক চতুৰ্থবৰ্গৰ কৰ্মচাৰীয়ে বিগত ২০ মাহ ধৰি দৰমহা নোপোৱাৰ প্ৰতিবাদত আজি ধেমাজি পলিটেকনিকৰ চতুৰ্থবৰ্গৰ কৰ্মচাৰীসকলে কৰ্মবিৰতি পালন কৰে। ১৮ গৰাকী কৰ্মচাৰীয়ে এই কাৰ্যসূচীত অংশ লয়। শীঘ্ৰেই দৰমহা আদায় দিবলৈ দাবী জনায়।

০০০০০

ৰাজ্য চৰকাৰে যোৱা ২৭ আগষ্টত জম্মুত নিহত হোৱা বি এছ এফৰ জোৱান ৰাজীৱ নুনীয়াৰ পৰিয়াললৈ ৫০ লাখ টকাৰ আৰ্থিক সাহায্য ঘোষণা কৰিছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এই বিষয়ে প্ৰকাশ কৰা বুলি ৰাজ্যসভাৰ সাংসদ কনাড পুৰকায়স্থ আৰু বিধায়ক নিহাৰ ৰঞ্জন দাসে নিহত জোৱানগৰাকীৰ পৰিয়ালক সদৰি কৰিছে। উল্লেখযোগ্য যে যোৱা ২৭ আগষ্টত জম্মুৰ ডাৱৰ বিস্ফোৰণৰ সময়ত ৰাছটাৱাৰ ভাগি পৰাত জোৱানজনৰ মৃত্যু হৈছিল। সীমান্ত সুৰক্ষা বাহিনীয়ে পাছত তেওঁক ছহিদ ঘোষণা কৰিছিল।

০০০০০

চতুৰ্দশ নাগালেণ্ড বিধানসভাৰ সপ্তম অধিৱেশন কাইলৈ আৰম্ভ হ'ব। দুদিনীয়াকৈ হ'বলগীয়া এই অধিৱেশন শ্ৰদ্ধাঞ্জলি জ্ঞাপনেৰে আৰম্ভ হ'ব। তাৰ পাছতে প্ৰশ্নোত্তৰ পৰ্ব অনুষ্ঠিত হ'ব। অধিৱেশনত ৰাজহুৱা স্বাৰ্থজড়িত বহু আলোচনা অনুষ্ঠিত হোৱাৰ লগতে কেইবাখনো চৰকাৰী বিধেয়ক উত্থাপন কৰা হ'ব আৰু কেইবাটাও চৰকাৰী সিদ্ধান্ত গ্ৰহণ কৰা হ'ব। অধিৱেশনত বাৰ্ষিক প্ৰশাসনিক প্ৰতিবেদন আৰু বিধানসভা সমিতিৰ প্ৰতিবেদনো উত্থাপন কৰা হ'ব।

০০০০০

তিনিচুকীয়া জিলাৰ উচ্চ শিক্ষাৰ অন্যতম শিক্ষানুষ্ঠান তিনিচুকীয়া মহাবিদ্যালয়ৰ ৬৯ সংখ্যক প্ৰতিষ্ঠান দিৱস আজি বৰ্ণাঢ্য কাৰ্যসূচীৰে উদযাপন কৰা হয়। ১৯৫৯ চনৰ আজিৰ দিনটোতে প্ৰতিষ্ঠা লাভ কৰা মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে আজি পুৱা এটা মটৰ চাইকেল শোভাযাত্ৰা উলিওৱা হয়। প্ৰতিষ্ঠা দিৱস উপলক্ষে মহাবিদ্যালয়খনৰ সংগীতটিৰ এটা ডিজিটেল সংস্কৰণ বিশিষ্ট শিক্ষাবিদ আৰু তেজপুৰ বিশ্ববিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক ডঃ মদন শৰ্মাই উন্মোচন কৰে। দিনজোৰা কাৰ্যসূচীৰ সামৰণিত সন্ধিয়া মহাবিদ্যালয় প্ৰেক্ষাগৃহত এখন ভাওনা প্ৰদৰ্শন কৰা হ'ব।

০০০০০

ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস উদযাপনৰ অংশ হিচাপে আজি যোৰহাট জিলা প্ৰশাসনৰ উদ্যোগত এটা চাইকেল ৰেলী উলিওৱাৰ লগতে এটা শপত গ্ৰহণ কাৰ্যসূচী অনুষ্ঠিত হয়। জিলা আয়ুক্ত জয় শিৱানীয়ে শুভাৰম্ভ কৰা কাৰ্যসূচীত জিলা ক্ৰীড়া বিষয়াকে ধৰি বিভিন্ন শীৰ্ষ চৰকাৰী বিষয়াসকল উপস্থিত থাকে। জিলা ক্ৰীড়া বিষয়াৰ

কাৰ্যালয়ত ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী, যোৰহাট সাঁতোৰ সমিতি, জিলা চাইকেল সন্থা, যোৰহাট জিলা চাইক্লিং সম্প্ৰদায়, ষ্টেট বেংক অব ইণ্ডিয়া আৰু এটা স্বেচ্ছাসেৱী সংগঠনে এই ৰেলীত অংশগ্ৰহণ কৰে।

ooooo

অহা ৪ ৰপৰা ৮ নৱেম্বৰলৈ মালয়েছিয়াত হ'বলগীয়া প্ৰথম বিশ্বকাপ ল'ন বল প্ৰতিযোগিতাৰ ভাৰতীয় দলত অসমৰ অৰ্জুন বঁটাৰে সন্মানিত নয়নমণি শইকীয়া আৰু পুতুল সোণোৱালে স্থান লাভ কৰিছে। যোৱা ২৬ আগষ্টৰ পৰা কালিলৈকে নতুন দিল্লীত অনুষ্ঠিত শিবিৰত দুয়োগৰাকী খেলুৱৈয়ে বাছনি লাভ কৰে। অসম ল'ন বল সন্থাই খেলুৱৈ দুগৰাকীক অভিনন্দন জ্ঞাপন কৰি তেওঁলোকৰ সফলতা কামনা কৰিছে।

ooooo

সমাপ্ত